# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-01-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

যোৱা নিশা দেহাৱসান ঘটা বৰ্ষীয়ান অভিনেত্ৰী জ্ঞানদা কাকতিৰ নশ্বৰদেহৰ অন্ত্যেষ্টিক্ৰিয়া আজি দুপৰীয়াৰ ভাগত শ্বিলঙৰ বৈদ্যুতিক শ্মশানত ভালেসংখ্যক গুণমুগ্ধৰ উপস্থিতিত সম্পন্ন কৰা হয়। যোৱা কিছুদিন ধৰি বাৰ্ধক্যজনিত ৰোগত ভুগি থকা অভিনেত্ৰীগৰাকীৰ যোৱানিশা শ্বিলঙৰ এখন ব্যক্তিগত হাস্পতালত ৯২ বছৰ বয়সত দেহাৱসান হয়। পঞ্চম দশকত পাৰঘাট ছবিৰে চলচ্চিত্ৰৰ অভিনয় জগতত ভুমুকি মৰা জ্ঞানদা কাকতিয়ে অসমীয়া ছবি জগতত প্ৰায় চাৰি দশক ধৰি তেওঁৰ অনবদ্য অভিনয়েৰে দৰ্শকক আপ্লুত কৰি আহিছিল। তেওঁ অভিনয় কৰা ১৪ খন অসমীয়া ছবিৰ ভিতৰত উল্লেখযোগ্য ছবিসমূহ হৈছে- পিয়লি ফুকন, পূৰেৰুণ, সৰাপাত, লখিমী, ৰঙা পুলিচ, চাকনৈয়া, পুৱতি নিশাৰ সপোন, ওপৰ মহলা, শেষ বিচাৰ, প্ৰিয়জন আদি। বিদ্যুৎ চক্ৰৱৰ্তী পৰিচালিত আৰু ১৯৯৬ চনত মুক্তিপ্ৰাপ্ত ৰাগবিৰাগ ছবি আছিল তেওঁ অভিনয় কৰা অন্তিমখন ছবি। ১৯৫৯ চনত প্ৰভাত মুখাৰ্জীৰ পৰিচালনাত নিৰ্মিত পূৰেৰুণ ছবিখনৰ বাবে বাৰ্লিন চলচ্চিত্ৰ মহোৎসৱত তেওঁ দেশক প্ৰতিনিধিত্ব কৰিছিল।

আকাশবাণীৰ শ্বিলং-গুৱাহাটী কেন্দ্ৰৰ প্ৰথমগৰাকী ঘোষিকা জ্ঞানদা কাকতিৰ সৈতে একেলগে কাম কৰা লাবু সেনাপতি হিচাপে পৰিচিত অৱসৰপ্ৰাপ্ত ঘোষক তুষাৰ সেনাপতিয়ে শিল্পীগৰাকীক এনেদৰে স্মৰণ কৰে-

**বাইট (তুষাৰ সেনাপতি)**

ooooo

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি গুৱাহাটীত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত ৫০ হাজাৰ হিতাধিকাৰীৰ গৃহ প্ৰৱেশ অনুষ্ঠানত অংশগ্ৰহণ কৰে। তেওঁ লগতে ধৰিত্ৰী আবা জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযানৰ অধীনত ২০২৪-২৫ বিত্তীয় বৰ্ষত ৩২ কোটি ৬৪ লাখ টকাৰ কৃষি যন্ত্ৰপাতিৰ বিতৰণ অনুষ্ঠানতো ভাগ লয়। এই অনুষ্ঠানতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত ২০গৰাকী লাখপতি বাইদেউক সম্বৰ্দ্ধনা জনোৱা হয়। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে।

ooooo

অসম চৰকাৰ অহা বছৰৰ ভিতৰত ডেৰ লাখ চৰকাৰী চাকৰিত নিযুক্তিৰ লক্ষ্য পূৰণৰ দিশে অগ্ৰসৰ হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত শীঘ্ৰে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক শিক্ষকৰ চাৰি হাজাৰ ৫০০ টা পদৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিব বুলি জানিবলৈ দিয়ে। এই চাকৰিসমূহৰ বাবে

আবেদন প্ৰক্ৰিয়া অহা ১৫ ফেব্ৰুৱাৰীত মুকলি কৰা হ'ব। প্ৰাৰ্থীসকলে dee.assam.gov.in যোগে আবেদন কৰিব পাৰিব।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিত্ত মন্ত্ৰী অজন্তা নেওগৰ উপস্থিতিত লোকসেৱা ভৱনৰ সভাকক্ষত ৰাজহ সৃষ্টিকাৰী বিভাগৰ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে বন, পৰিবহণ, আবকাৰী আদি বিভাগৰ বিগত বৰ্ষৰ তুলনাত ২০২৪-২৫ বিত্তীয় বৰ্ষত হোৱা কৰ সংগ্ৰহ আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সম্ভাব্য কৰ সংগ্ৰহৰ বুজ লোৱাৰ লগতে এই বিভাগসমূহে সন্মুখীন হোৱা বিভিন্ন প্ৰত্যাহ্বানৰ ক্ষেত্ৰত যাৱতীয় নিৰ্দেশনাও প্ৰদান কৰে। উল্লেখযোগ্য যে ৰাজ্যৰ অৰ্থনৈতিক বিকাশৰ লগতে চৰকাৰৰ কল্যাণকামী আঁচনি আৰু পদক্ষেপসমূহ ৰূপায়ণৰ ক্ষেত্ৰত ৰাজহ সৃষ্টিকাৰী বিভাগসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

০০০০০

কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী তোখান চাহুৱে আজি অসম চৰকাৰৰ নগৰ উন্নয়ন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ সৈতে গুৱাহাটীত এখন বৈঠকত মিলিত হৈ ৰাজ্যখনত বিভাগটোৰ কামকাজৰ অগ্ৰগতিৰ বুজ লয়। এই বৈঠকত কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰীগৰাকীয়ে অসমত তেওঁৰ বিভাগৰ অধীনত চলি থকা কেইবাখনো আঁচনিৰ খতিয়ান লোৱাৰ লগতে কেইবাটাও প্ৰকল্পৰ বিষয়ে আলোচনা কৰে। কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰীগৰাকীয়ে প্ৰকল্পসমূহৰ সময়মতে ৰূপায়ণ নিশ্চিত কৰি তুলিবৰ বাবে প্ৰয়োজনীয় পৰামৰ্শ দিয়ে।

০০০০০

সমাপ্ত